**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::::

১। সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে।

২। সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পৱিত্ৰ বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে।

৩। প্ৰধানমন্ত্ৰী উজ্বলা যোজনাই যোৱা এটা দশকত লাখ লাখ পৰিয়াললৈ প্ৰকৃতাৰ্থত পৰিৱৰ্তন আনিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৪। গোৱাত হ'বলগীয়া ৫৮ সংখ্যক আন্তৰ্ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ সঞ্চালক হিচাপে বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা আশুতোষ গোৱাৰিকাৰক নিযুক্তি দিয়া হৈছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰত খন্তেক পাছতেই ৰাজস্থান ৰয়েলছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগক স্বীকৃতি দিয়াৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবছৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'কাম কৰাৰ বাবে সুস্থ মনোসামাজিক বাতাবৰণ'। এই বিষয়বস্তুৰ জৰিয়তে আধুনিক কৰ্মস্থলীত মানসিক চাপ, কামৰ হেচাৰ দৰে প্ৰত্যাহ্বান দূৰ কৰাত গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

০০০০০

সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পৱিত্ৰ বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। এই দিনটোত গৌতম বুদ্ধই জন্মগ্ৰহণ কৰাৰ উপৰি জ্ঞান লাভ কৰিছিল আৰু তেওঁৰ মহা পৰিনিৰ্বাণ ঘটিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বুদ্ধ পূৰ্ণিমা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে।

০০০০০

প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ ১০ বছৰ সম্পূৰ্ণ হৈছে আৰু যোৱা এটা দশকত এই আঁচনিয়ে লাখ লাখ পৰিয়াললৈ প্ৰকৃতাৰ্থত পৰিৱৰ্তন আনিছে বুলি কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীযোশীয়ে কয় যে এই আঁচনিৰ জৰিয়তে হোৱা পৰিৱৰ্তনে নিৰৱে অথচ শক্তিশালীভাৱে মানুহৰ জীৱনক স্পৰ্শ কৰাৰ লগতে মহিলা সবলীকৰণ আৰু স্বাস্থ্য সন্মত ভাৰতৰ ভেটি শক্তিশালীকৰণত অৱদান আগবঢ়াইছে। তেওঁ কয় যে ধোঁৱাৰে পৰিপূৰ্ণ ৰান্ধনীঘৰৰ পৰা স্বাস্থ্য সন্মত এটা পৰিবেশ সৃষ্টি কৰি প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ এই যাত্ৰা মাতৃসকলক মৰ্যদাপূৰ্ণ জীৱন দিয়াৰ লগতে প্ৰতিটো পৰিয়ালকে সুন্দৰ জীৱন যাপনৰ সুবিধা দিয়াৰ সৈতে জড়িত হৈ আছে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জে পি নাড্ডাই আজি পাঞ্জাবৰ মোহালিত ভেষজ বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান নাইপাৰ ভ্ৰমণ কৰি প্ৰতিষ্ঠানটোৰ অত্যাধুনিক গৱেষণা সা-সুবিধা সম্পৰ্কে বুজ লয়। এই ভ্ৰমণে ভেষজ বিজ্ঞান শিক্ষা শক্তিশালী কৰাৰ লগতে উদ্ভাৱনক উদগণি দিয়া আৰু জৈৱ ভেষজ বিজ্ঞান খণ্ডত গৱেষণা তথা বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নিৰন্তৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে। মন্ত্ৰীগৰাকীয়ে এই প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীসকলৰ সৈতেও মত বিনিময় কৰে। প্ৰতিষ্ঠানটোৰ সঞ্চালক প্ৰধান দুলাল পাণ্ডাই মন্ত্ৰীগৰাকীৰ সৈতে হোৱা বৈঠকত এই প্ৰতিষ্ঠানৰ লক্ষ্য তথা পৰিকল্পনাৰ বিষয়ে উল্লেখ কৰে।

ooooo

চুৰাটৰ অৰো বিশ্ববিদ্যালয়ত আজি তৃতীয় ভাইব্ৰেণ্ট গুজৰাট আঞ্চলিক সন্মিলন আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰী আৰু চি আৰ পাটিলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে এই উপলক্ষে দিয়া ভাষণত ভাৰত বিশ্বৰ ভিতৰতে শোধন কৰা খাৰুৱা তেল ৰপ্তানী কৰা পঞ্চম বৃহৎ দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে শক্তি সংকটৰ পাছত দেশে কেৱল শক্তি যোগানৰ ক্ষেত্ৰতো বৈচিত্ৰ অনা নাই বৰঞ্চ ৰন্ধন গেছৰ ৬০ শতাংশ দেশতে সফলতাৰে উৎপাদন কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে গোলকীয় যোগান শৃংখলা ব্যাহত হোৱা আৰু মালবাহী জাহাজৰ বৰ্ধিত ব্যয় সত্তেও চৰকাৰে খুচুৰাভাৱে বিক্ৰী কৰা শক্তিৰ মূল্য স্থিৰ ৰাখিবলৈ সক্ষম হৈছে, যি সাধাৰণ নাগৰিকৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। মন্ত্ৰীগৰাকীয়ে শক্তি খণ্ডত গুজৰাটৰ অৱদানৰ কথা উল্লেখ কৰি কয় যে ৰাজ্যখনত দেশৰ ৪০ শতাংশ খাৰুৱে তেল শোধন কৰে আৰু ৬০ শতাংশ ৰন্ধন গেছ উৎপাদন কৰে।

ooooo

মেঘালয়ৰ ৰাজ্যপাল চি এইচ বিজয় শংকৰে আজি শ্বিলঙৰ লোকভৱনত লোকপিয়ল পোৰ্টেলত স্বগণনাৰ বাবে ৰাজ্যিক অভিযানৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ৰাজ্যপালগৰাকীয়ে প্ৰথম পৰ্যায়ৰ প্ৰথম প্ৰক্ৰিয়া অৰ্থাৎ স্বগণনাৰ পৰ্যায়ৰ বাবে পোৰ্টেলত প্ৰয়োজনীয় তথ্যসমূহ দাখিল কৰে। লোকপিয়ল সঞ্চালকালয়ৰ জ্যেষ্ঠ বিষয়াসকলে ৰাজ্যপালক প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল মাধ্যমেৰে হ'বলগীয়া এই লোকপিয়লৰ প্ৰস্তুতি আৰু অগ্ৰগতিৰ বিষয়ে অৱগত কৰে। নাগৰিকসকলৰ বাবে এই প্ৰক্ৰিয়া ১৫ মে' পৰ্যন্ত চলিব। জনসাধাৰণে নিজৰ পৰিয়ালৰ সবিশেষ তথ্য দাখিল কৰিব পাৰিব, যিটো পৰৱৰ্তী সময়ত ঘৰে ঘৰে যোৱা গণনাকাৰীসকলে পৰীক্ষা কৰিব। এই লোকপিয়লৰ প্ৰথম পৰ্যায়ত স্বগণনা আৰু বাসগৃহৰ তালিকাভুক্তকৰণক সামৰি লোৱা হৈছে। বাসগৃহ তালিকাভুক্তকৰণৰ প্ৰক্ৰিয়াটো ১৬ মে'ৰ পৰা ১৪ জুন পৰ্যন্ত চলিব আৰু এই সময়ছোৱাত গণনাকাৰীসকলে ৩৩ টা প্ৰশ্ন সম্বলিত এখন প্ৰশ্নাৱলীৰ জৰিয়তে বাসগৃহৰ অৱস্থান, সম্পত্তি আৰু মৌলিক সা-সুবিধাৰ বিষয়ে তথ্য সংগ্ৰহ কৰিব। দ্বিতীয় পৰ্যায়ত ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত জনসংখ্যা গণনা কৰা হ'ব।

ooooo

দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসলৈ ৫০ দিন বাকী থকা উপলক্ষে কাইলৈ তেলেংগানাত মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ উদ্যোগত যোগ মহোৎসৱ ২০২৬ ৰ আয়োজন কৰা হৈছে। আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই সময়চোৱাত দেশজুৰি ধাৰাবাহিক কাৰ্যসূচী প্ৰদৰ্শন আৰু সজাগতা অভিযানৰ জৰিয়তে জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। এই কাৰ্যসূচীত সমগ্ৰ দেশৰ যোগ অনুৰাগীসকলে সমুহীয়া যোগৰ নীতি নিয়ম অনুকৰণ কৰি অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰালয়ে লগতে কয় যে এখন স্বাস্থ্যকৰ আৰু স্বনিৰ্ভৰশীল ভাৰত গঢ়ি

তোলাৰ বাবে চৰকাৰৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি যোগক প্ৰতিৰোধমূলক স্বাস্থ্যসেৱা, মানসিক সুস্থতা আৰু সামগ্ৰিক জীৱনশৈলীৰ শক্তিশালী আহিলা হিচাপে প্ৰতিষ্ঠা কৰাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। এই অনুষ্ঠানত বহুসংখ্যক অংশগ্ৰহণকাৰীয়ে ভুজংগাসন প্ৰদৰ্শন কৰি এছিয়া বুক অৱ ৰেকৰ্ডছত ঐতিহাসিক অভিলেখ গঢ়াৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধি আৰু বাণিজ্যিক দূতাবাসৰ বিষয়াৰ লগতে ছিংগাপুৰ, চীন, ভিয়েটনাম, কলম্বিয়া, মালয়েছিয়া, ব্ৰাজিল আৰু উগান্দাৰ শৰনাৰ্থী শিবিৰৰ পৰাও ভাৰ্চুৱেল মাধ্যমেৰে বিভিন্ন জনে অংশগ্ৰহণ কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অনুষ্ঠানত কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডী, আয়ুষ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱেও অংশগ্ৰহণ কৰিব।

০০০০০

দ্বিপাক্ষিক বাণিজ্য, বিনিয়োগ আৰু অৰ্থনৈতিক সহযোগিতা অধিক শক্তিশালী কৰাৰ বাবে তানজানিয়াত দুদিনীয়াকৈ চলি থকা ভাৰত-তানজানিয়া যুটীয়া বাণিজ্য সমিতিৰ পঞ্চম অধিৱেশন আজি সমাপ্ত হয়। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কয় যে এই অধিৱেশনত ২০১৭ চনৰ আগষ্ট মাহত নতুন দিল্লীত অনুষ্ঠিত হোৱা পূৰ্বৰ অধিৱেশনখনৰ পৰা লাভ কৰা অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। মন্ত্ৰালয়ে লগতে কয়  যে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য ২০২৫-২৬ বৰ্ষত ৯ বিলিয়ন ডলাৰতকৈ অধিক হৈছে, যিটো ২০২৪-২৫ বৰ্ষত ৮ বিলিয়ন ডলাৰ আছিল। বৈঠকত স্থানীয় মুদ্ৰাত বাণিজ্য নিষ্পত্তিৰ প্ৰচাৰ, ভাৰতীয় ব্যৱসায়ীসকলৰ বাবে দীৰ্ঘম্যাদী ব্যৱসায়িক ভিছাৰ সুবিধা, ফাৰ্মাচিউটিকেলছত নিয়ন্ত্ৰক সহযোগিতা, স্বাস্থ্য খণ্ডক শক্তিশালী কৰা আৰু, আয়ুষ, শিক্ষা আৰু জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত ক্ষমতা নিৰ্মাণৰ বিষয়েও আলোচনা কৰা হয়। ভূতাত্ত্বিক অন্বেষণ আৰু খননকে ধৰি খনন খণ্ডত সহযোগিতা, ৰত্নশিল খণ্ডত মূল্য সংযোজন, ৰত্নশিল ৰপ্তানি সম্পৰ্কীয় নিয়ন্ত্ৰক উন্নয়ন, ক্ষমতা নিৰ্মাণ আৰু দক্ষতা বিকাশৰ সুযোগ আদি সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

তেলেংগানাৰ নতুন আৰক্ষী সঞ্চালকপ্ৰধান চি ভি আনন্দে ৰাজ্যখনত সংগঠিত অপৰাধলৈ ৰূপান্তৰিত হোৱা ড্ৰাগছ আৰু মাদক দ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে।

আজি ৰাজ্যখনৰ নতুন আৰক্ষী সঞ্চালকপ্ৰধান হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত হায়দৰাবাদত এখন সংবাদমেল সম্বোধন কৰি তেওঁ কয় যে বৰ্ধিত যান-জঁটৰ সমস্যা সমাধানৰ বাবে এআই প্ৰযুক্তি আৰু ড্ৰোন ব্যৱহাৰ কৰা হ 'ব, আৰু সমস্যাবোৰৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্যিক পৰ্যায়ত সমৰ্পিত যান-জঁট ব্যৱস্থাপনা আৰু পথ সুৰক্ষা ব্যুৰো স্থাপন কৰা হ' ব। তেওঁ কয়, ড্ৰাগছ আৰু ৰেগিং নিয়ন্ত্ৰণৰ বাবে শিক্ষানুষ্ঠানসমূহত ড্ৰাগছ বিৰোধী সমিতি গঠন কৰা হ’ব।

তেওঁ স্পষ্ট কৰি দিয়ে যে চাইবাৰ অপৰাধ, খাদ্য ভেজালকাৰী আৰু ভূমি মাফিয়াৰ বিৰুদ্ধে ব্যৱস্থা কৰা হ 'ব। বিভাগীয় সংস্কাৰৰ অংশ হিচাপে তেওঁ কয় যে কৰ্মচাৰীৰ অভাৱ দূৰ কৰিবলৈ প্ৰায় ৫০০০ নতুন কৰ্মচাৰী নিযুক্তিৰ বাবেও কাম কৰি থকা হৈছে। তেলেংগানা আৰক্ষীযৰ বিষয়াসকলৰ মাজত সমন্বয় বৃদ্ধি কৰি আৰু চৰকাৰৰ উদ্দেশ্যৰ সৈতে একাত্ম হৈ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াব বুলি ডিজিপিগৰাকীয়ে আস্থা প্ৰকাশ কৰে

০০০০০

গোৱাত হ'বলগীয়া ৫৮ সংখ্যক আন্তৰ্ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ সঞ্চালক হিচাপে বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা আশুতোষ গোৱাৰিকাৰক নিযুক্তি দিয়া হৈছে। শ্ৰীগোৱাৰিকাৰে কয় যে এই মৰ্যদাপূৰ্ণ মহোৎসৱৰ সঞ্চালক হিচাপে সেৱা আগবঢ়াবলৈ পোৱাটো তেঁওৰ বাবে সীমাহীন গৌৰৱ আৰু আনন্দৰ বিষয়। তেওঁ কয় যে ১৯৫২ চনৰ পৰা বিভিন্ন চলচ্চিত্ৰৰ গোটেই দায়িত্ব বহন কৰা এই অনুষ্ঠান আগবঢ়াই লৈ যোৱাৰ বাবে লাভ কৰা দায়িত্ব অধিক সন্মানৰ বিষয় হোৱাৰ লগতে দাযিত্ববোধো জড়িত হৈ আছে। তেওঁ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ লগতে গোৱা চৰকাৰৰ সৈতে মিলি কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত খন্তেক পাছতেই ৰাজস্থান ৰয়েলছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ